Under CSR Support by ipca | Foundation missiongyan LET'S LEARN TOGETHER

# অধ্যায় - ১ | অসম আমাৰ ৰূপহী

QUIZ-01

**১. "অসম আমাৰ ৰূপহী" কবিতাটিত অসমক কেনেকৈ বৰ্ণনা কৰা হৈছে?**
ক) দূৰদেশৰ ঠাই
খ) মৰুভূমিৰ দেশ
গ) গুণেৰে ভৰা দেশ
ঘ) বৰফে ঢকা দেশ
**Answer: গ**
**Explanation: কবিতাৰ আৰম্ভণিতেই কোৱা হৈছে— "অসম আমাৰ ৰূপাহী, গুণৰো নাই শেষ", অৰ্থাৎ অসমখন গুণেৰে সমৃদ্ধ বুলি কৈছে ।**

**২. কবিতাটিত কোন দিশত সূৰ্য উঠা কথা উল্লেখ আছে?**
ক) পশ্চিম দিশত
খ) দক্ষিণ দিশত
গ) উত্তৰ দিশত
ঘ) পূৱ দিশত
**Answer: ঘ**
**Explanation: কবিতাত "ভাৰতৰ পূৱ দিশৰ সূৰ্য উঠা দেশ" বুলি উল্লেখ আছে।**

**৩. "গোটেই জীৱন বিচাৰিলেও" কবিয়ে কি নাপাব বুলি কৈছে?**
ক) অসম সৰু
খ) অসমত দুখ বেছি
গ) অসমৰ দৰে নাপাব
ঘ) অসমত বৰষুণ নাই
**Answer: গ**
**Explanation: "গোটেই জীৱন বিচাৰিলেও" অসমৰ দৰে ৰসাল মাটি কতো নাপাব বুলি কৈছে**

**৪. কবিতাত "ইমান ৰসাল মাটি" বুলি কি বুজোৱা হৈছে?**
ক) অসমৰ মাটি কঠিন
খ) অসমৰ মাটি উৰ্ব্বৰতাৰে ভৰা
গ) অসমৰ মাটিত পানী নপৰে
ঘ) অসমৰ মাটিত গছ-গছনি নাই
**Answer: খ**
**Explanation: "ৰসাল মাটি" মানে উৰ্ব্বৰতা থকা মাটি, যি মাটি খেতি –বাতিৰ বাবে উপযোগী ।**

**৫. "চিৰ বিনন্দীয়া" বুলি কাক কোৱা হৈছে?**
ক) অসমৰ খাদ্য
খ) অসমৰ সাজ-পোছাক
গ) অসমৰ সেউজ পৰিৱেশ
ঘ) অসমৰ পাহাৰ
**Answer: গ**
**Explanation: "চিৰ বিনন্দীয়া তোমাৰ সেউজ পৰিৱেশ" অৰ্থাৎ অসমৰ পৰিবেশ চাৰিওদিশে সেউজীয়া বুলি স্পষ্টকৈ উল্লেখ কৰিছে ।**

**৬. "মহুৰা হৈ ঘূৰে" বাক্যশাৰীত কোনটো বিষয় কোৱা হৈছে?**
ক) শীতৰ বতাহ
খ) বসন্তৰ বতাহ
গ) বৰষুণৰ ঢৌ
ঘ) বন্যা
**Answer: খ**
**Explanation: বহাগতে আমাৰে আই মহুৰা হে ঘূৰে" বুলি বসন্ত বা বহাগৰ সময়ৰ সৌন্দৰ্যৰ কথা কোৱা হৈছে।**

**৭. "মাঘত সোণৰ হাতেৰে" ক'ত লখিমী আদৰে?**
ক) গুৱাহাটী চহৰত
খ) খেতি পথাৰত
গ) নদীত
ঘ) পাহাৰৰ ওপৰত
Answer: খ
Explanation: ধান-কটাৰ ছবি আছে আৰু বাক্যটো খেতিপথাৰত লখিমীৰ (সমৃদ্ধিৰ) আদৰৰ কথা বুজাইছে।

**৮. কবিতাটিৰ মতে বিভিন্ন ভাষা-ধৰ্মৰ মাজত কি গঢ়ে?**
ক) সংঘৰ্ষ
খ) ভয়
গ) মিলন সেঁতু
ঘ) পৃথকতা
Answer: গ
Explanation:

**৯. "লৌহিত্যৰে বহল পাৰক প্ৰণিপাত কৰোঁ" — লৌহিত বুলি কাক বুজাইছে?**
ক) ব্ৰহ্মপুত্ৰ নদী
খ) বৰাক নদী
গ) দিহিং নদী
ঘ) কপিলী নদী
**Answer: ক**
**Explanation: "লৌহিত" বুলিলে ব্ৰহ্মপুত্ৰক বুজায়; কবিতাত ব্ৰহ্মপুত্ৰৰ বহল পাৰলৈ প্ৰণিপাত জনোৱা হৈছে।**

**১০. এই কবিতাটি এটি গীতহে গতিকে ইয়াৰ গীতিকাৰ কোন?**
ক) ড° দিলীপ কুমাৰ দত্ত
খ) ড° ভূপেন হাজৰিকা
গ) লক্ষ্মীনাথ বেজবৰুৱা
ঘ) হীৰেন ভট্টাচাৰ্য
**Answer: খ**
**Explanation: এই গীতটিৰ "গীতিকাৰ - ড° ভূপেন হাজৰিকা"।**

মিছন জ্ঞান
সব চাহিএ, জহাঁ চাহিএ!
100% FREE!
VIDEO COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App